# PROJECT REPORT ON

Role of Education to Solve Unemployment Problems : A Study with Special Reference to Singrabari Palpara Gaon

**Submitted to the Department of Education, Chhamaria Anchalik College for the Partial fulfillment of the Degree of B.A Examination 2023 under the Gauhati Univarsity**

**B.A 6th Semester Examiation – 2023**

**Subject : Project Report**

**Paper : EDU – HC - 6026**


**Under the Guidance and Supervision of :**

Nurul Islam

**Name & Signature**

**Assistant Professor**

**Department of Education**

Head
Department of Education
Chhamaria Anchalik College
Date.....................

**Investigator**

**Name** : Mayarani Paul

**Roll No** : UA-201-007-0042

**Regn. No** : 20002329

**Phone Number:** 88225-59590

**B.A.6th Semester**

Supervisor
Department of Education
Chhamaria Anchalik College
Date.....................

**Chhamaria Anchalik College**

Principal
Chhamaria Anchalik College

CERTIFCATE

Ref: CAC/ Edu/ Project/ 2023/17 Date- 18/05/2023

Certified that Mayarani Paul, a student of B.A. 6TH Semester in Education Honors of Chhamaria Anchalik College, has submitted his / her Project Report of the Paper Code : EDU – HC- 6026 bearing Roll No. UA-201-007-0042 on the topic entitled the Role of Education to Solve Unemployment Problems: A Study with Special Reference to Singraborri Palpara Gaon.

He/ she has worked this project under my supervision as partial fulfillment of his /her B.A. 6TH Semester final Examination 2023 .

He / She has fulfilled all requirements as per guideline under Gauhati University.

I wish his / her all success in life

Principal
Chhamaria Anchalik College

Nurul Islam.
Name and Signature of Supervisor

Supervisor
Department of Education
Chhamaria Anchalik College
Date.....................

# কৃতজ্ঞতা স্বীকাৰ (Acknowledgement)

মোৰ এই ক্ষুদ্ৰ গৱেষণা পত্ৰখন প্ৰস্তুত কৰোতে যিসকল ব্যক্তি আৰু শিক্ষাগুৰুৱে মোক সহায় কৰিলে তেখেত সকলোকে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। বিশেষকৈ মোৰ এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবৰ বাবে উপযুক্ত নিৰ্দেশনা আৰু প্ৰেৰণা দিয়াত তথা মোৰ ছাত্ৰ-জীৱনৰ প্ৰতিটো পদক্ষেপত উদ্‌গনি যোগোৱা সন্মানীয় নিৰ্দেশক মহোদয় মহাশয় মহম্মদ নুৰুল ইছলাম; লগতে মোক সহায় কৰা আমাৰ শিক্ষা বিভাগৰ প্ৰতিজন শিক্ষা গুৰু মহাশয় আবুশ্বামা আহমেদ, মহাশয় ৰাম মণ্ডল আৰু মহাশয়া মিচ্‌ হিৰামণি ৰাভাক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

ইয়াৰ উপৰিও অধ্যয়ন কাৰ্যটো সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায় আগবঢ়োৱা আমাৰ অগ্ৰজা বাইদেউ দীপাঞ্জলী মণ্ডলক এই ছেগতেই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজন হোৱা প্ৰাথমিক তথ্য সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা আমাৰ গাঁৱৰ খুড়া-খুড়ী, দাদা-বাইদেউ সকলোকে মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

আকৌ গৌণ উৎস ব্যৱহাৰ কৰি তথ্য সংগ্ৰহ তথা সম্পূৰ্ণ প্ৰকল্পখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত যিসকল মহান ব্যক্তিৰ লিখনীয়ে মোৰ অধ্যয়নৰ সহায়ক হৈছে সেই সকলো

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

মহান ব্যক্তিলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

সৰ্বশেষত এই ক্ষুদ্ৰ গৱেষণা পত্ৰখনক বাস্তৱ ৰূপ দিয়াত ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় আগবঢ়োৱা মোৰ সকলো বন্ধু- বান্ধৱী তথা অন্যান্য শিক্ষক কৰ্মচাৰী সকললৈ কৃতজ্ঞতা স্বীকাৰ কৰি সামৰণি মাৰিলো।

নাম : মায়াৰাণী পাল

শ্ৰেণী : স্নাতক ষষ্ঠ ষান্মাসিক

ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়, শিক্ষা বিভাগ

Head
Department of Education
Chhamaria Anchalik College
Date........................

Principal
Chhamaria Anchalik College

# সূচীপত্ৰ


## প্ৰথম অধ্যায় (01 – 09)

1 আৰম্ভণি
1.1 অধ্যয়নটোৰ তাৎপৰ্য
1.2 অধ্যয়নৰ ক্ষেত্ৰ
1.3 অধ্যয়নটোৰ পদ্ধতি
1.4 অধ্যয়নৰ উদ্দেশ্য
1.5 অধ্যয়নটোৰ পূৰ্বানুমান
1.6 প্ৰকল্পত ব্যৱহৃত ধাৰণাৰ সংজ্ঞা
1.7 অধ্যয়নটোৰ সীমাবদ্ধতা
1.8 অধ্যয়নৰ নমুনা

## দ্বিতীয় অধ্যায় (10)

২ গৱেষণাৰ লগত জড়িত সাহিত্য কৃতি

## তৃতীয় অধ্যায় (11 – 15)

3 নিৰনুৰাৰ ধাৰণা
3.1 নিৰনুৰাৰ সংজ্ঞা
3.2 ভাৰতত নিৰনুৰাৰ প্ৰকাৰসমূহ


Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

3.3 শিক্ষিত নিৱনুৱাৰ ধাৰণা
3.4 ভাৰতত নিৱনুৱা পৰিমাপনৰ পদ্ধতি

## চতুৰ্থ অধ্যায় (16 – ২6)

4 নিৱনুৱা সমস্যাৰ কাৰণবোৰ
4.1 শিক্ষিত নিৱনুৱাৰ প্ৰভাৱ
4.২ নিৱনুৱা সমস্যা দূৰীকৰণত শিক্ষাৰ ভূমিকা

## পঞ্চম অধ্যায় (২৭ – ২৮)

5 শিংৰাবড়ী পালপাৰা গাঁৱৰ শিক্ষাগত অৰ্হতা
5.1 কৃষি
5.২ শিল্প কলা
5.3 নিয়োগ

## ষষ্ঠ অধ্যায় (২৯ – 3২)

6 তথ্যৰ বিশ্লেষণ আৰু ব্যাখ্যা
6.1 সামৰণি
6.২ প্ৰশ্নাৱলী
6.3 সহায়ক গ্ৰন্থ পঞ্জিকাসমূহ

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

# প্ৰথম অধ্যায়

শিৰোনামা : নিৰনুৱা সমস্যা দূৰীকৰণত শিক্ষাৰ ভূমিকা:
Title : (Role of Education to Solve Unemployment Problems.)

আৰম্ভণি : (Introduction)

বৰ্তমান গোটেই ভাৰতবৰ্ষতে মূৰ দাঙি উঠা সমস্যা-বোৰেই হ'ল - নিৰনুৱা সমস্যা। নিৰনুৱা হ'ল ভাৰতীয় সমাজ জীৱনৰ বাবে এখন অতি দুখলগা ছবি। নিৰনুৱা সমস্যা বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰতে কম বেছি পৰিমাণে দেখা যায়। অৱশ্যে বিশ্বৰ উন্নত, উন্নয়নশীল আৰু অনুন্নত দেশসমূহত নিৰনুৱা সমস্যাৰ প্ৰকৃতি তাৎপৰ্য্যপূৰ্ণভাৱে পৃথক।

ভাৰতবৰ্ষ এখন প্ৰাকৃতিকভাৱে চহকী দেশ হোৱা স্বত্বেও বিকাশৰ দিশত ইয়াৰ গতি অতি লেহেমীয়া যা সম্ভৱ। ইয়াৰ মূলতে হ'ল নিৰনুৱা সমস্যাৰ ভয়াৱহতা। নিৰনুৱা সমস্যাক সামগ্ৰীকভাৱে বুজি উঠিবৰ বাবে পোন প্ৰথমে আমি নিৰনুৱা সম্পৰ্কে জানিব লাগিব।

সাধাৰণতে কৰ্ম সংস্থাপনৰ বাবে উপযুক্ত সুবিধা নোপোৱা কৰ্মক্ষম লোকক নিৰনুৱা বুলি কোৱা হয়। কিন্তু নিৰনুৱাৰ প্ৰকৃত ধাৰণা কিছু বিস্তৃত।

প্ৰকৃততে কোনো এটা কাম কৰাৰ ইচ্ছা থকা স্বত্বেও যিসকল কৰ্মক্ষম লোকে দেশৰ প্ৰচলিত মজুৰিত কাম কৰাৰ সুবিধা নাপায় সেইসকলোকে নিৰনুৱা বুলি কোৱা হয়। অতিৰিক্ত জনসংখ্যা বৃদ্ধি, শিল্পায়নৰ অভাৱ আদিৰ ফলত চৰকাৰী পদবীত নিয়োগ বন্ধ আদিয়ে এই সমস্যাক সমাধান-হীন কৰি তুলিছে।

Head
Department of Education
Chhamaria Anchalik College
Date.................

Principal
Chhamaria Anchalik College

নিৰক্ষৰতা সমস্যাই দেশৰ চহৰে, গাঁৱে-ভূঞে আৰ্থ-সামাজিক অনুন্নয়নে দেখা দিছে। যি ভৱিষ্যৎ প্ৰজন্মৰ শৈক্ষিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাইছে। এনে সমস্যা দূৰ কৰিব নোৱাৰিলে দেশত ক্ৰমবৰ্ধমান নিৰক্ষৰতা সমস্যা, দুৰ্নীতি আদি ৰোধ কৰিব পৰাটো সম্ভৱ নহয়। এই সমস্যা সমাধানৰ বাবে চৰকাৰী, বেচৰকাৰী সকলো প্ৰতিষ্ঠানে সচেতন হোৱাটো বাঞ্ছনীয়।

গতিকে নিৰক্ষৰতা সমস্যা দূৰীকৰণত চৰকাৰে বিভিন্ন শিক্ষা ব্যৱস্থা হাতত লব লাগে লগতে জনসাধাৰণে নিজেও সজাগ হৈ শিক্ষাৰ ব্যাপকতা বৃদ্ধি কৰি আমাৰ ভাৰতবৰ্ষক উৎপাদন-ক্ষম ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব লাগে।

## অধ্যয়নটোৰ তাৎপৰ্য: (Significance of the Study.)

বৰ্তমান আমাৰ দেশত অতি দ্ৰুত গতিত নিৰক্ষৰতা বৃদ্ধি হৈ আছে যি দেশ এখনৰ আৰ্থ-সামাজিক তথা শৈক্ষিক দিশত উন্নতকৰণত হেঙাৰ স্বৰূপে থিয় দিছে। কিয়নো দেশৰ নাগৰিক যদি শিক্ষিত নহয় অথবা কৰ্ম সংস্থাপন নাপায় তেতিয়াহলে দেশ তথা সমাজৰ প্ৰত্যেকটো পৰিয়ালৰ সৰ্বদিশৰ সমস্যাই জুমুৰি ধৰিব। গতিকে নিৰক্ষৰতা সমস্যা দূৰীকৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে নিৰক্ষৰতা সমস্যা দূৰীকৰণৰ প্ৰধান আহিলা হৈছে-বহুমুখী শিক্ষাৰ সুব্যৱস্থা।

প্ৰত্যেক শিশু কিবা নহয় কিবা সম্ভাৱনীয়তা লৈ জন্মগ্ৰহণ কৰে। সেয়েহে শিশুক বিদ্যালয়ত নামভৰ্ত্তি কৰি দিয়াৰে পৰা এই সুপ্ত প্ৰতিভাবোৰৰ উপযুক্ত প্ৰশিক্ষণৰ জৰিয়তে বিকশাই তুলিব লাগে যাতে সেই পাৰদৰ্শিতাৰ পৰাই শিশুৱে

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

যা শিক্ষাৰ্থীয়ে জীৱন গঢ়ি অৰ্থনৈতিভাৱে স্বাৱলম্বী হ'ব পাৰে আৰু দেশৰ সেৱা আগবঢ়াব পাৰে।

আকৌ শৈক্ষিক ব্যৱস্থাপনাত ভিন্ন বিষয়ক সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীৰ ব্যৱস্থা কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভাবোৰৰ বিকাশৰ পূৰ্ণ সুবিধা পায় আৰু নতুন নতুন কৌশল অৰ্জনেৰে ব্যক্তিগতভাৱেও আত্ম-সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰে।

শিক্ষা ব্যৱস্থাত প্ৰত্যেকটো শিক্ষণীয় বিষয় গুণগত তথা প্ৰায়োগিক বিধিৰ কৰি গঢ়ি তুলিব লাগে যাতে প্ৰত্যেকটো বিষয় শিক্ষাৰ্থীয়ে অন্তকৰণেৰে হৃদয়ংগম কৰি বাস্তৱ জীৱনত কাৰ্যকৰী কৰিবলৈ সক্ষম হয় আৰু অৰ্থনৈতিক আত্মসংস্থাপনো লাভ কৰিব পাৰে।

গতিকে প্ৰত্যেকজন নিবনুৱা ব্যক্তিক বনুৱালৈ ৰূপান্তৰিত কৰিবলৈ শিক্ষা ব্যৱস্থাত অথবা ব্যক্তিগত প্ৰচেষ্টাৰেও অনেকুৱা আঁচনি হাতত লোৱাৰ প্ৰয়োজনীয়তা আছে।

বিভিন্ন গৱেষকে গৱেষণা কৰা গ্ৰন্থ-পুথিত নিবনুৱা সমস্যা দূৰীকৰণত শিক্ষাৰ ভূমিকা সম্পৰ্কে এক সীমিত অধ্যয়নহে পোৱা যায়। সেয়েহে এই বিষয়ে অধ্যয়ন কৰাৰ যিতং অৱসৰ আছে।

মোৰ এই গৱেষণাৰ জড়িয়তে মালিবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত শিংৰাবাড়ী পালপাৰা চুবুৰীটোৰ কিমান সংখ্যক নিবনুৱা আছে, ইয়াৰ কাৰণ কি আৰু নিবনুৱা সমস্যা সমাধানৰ বাবে কেতবোৰ পদক্ষেপ উল্লেখ কৰিবলৈ চেষ্টা কৰিম তথা লগতে পাঠক বা বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্ন কৰিম।

## অধ্যয়নৰ ক্ষেত্ৰ : (Area of the Study.)

অধ্যয়নৰ ক্ষেত্ৰ হিচাপে মই কামৰূপ জিলাৰ ৪৮ নং বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা মৌজাৰ ৪৩ নং ছেকেৰা-যোগীপাৰা গাওঁ পঞ্চায়তৰ মালিবাৰী সত্ৰ গাওঁৰ অন্তৰ্গত চুবুৰী শিংৰাবড়ী পালপাৰাক বাচি লৈছো শিংৰাবড়ী পালপাৰাৰ চাৰিসীমা হ'ল — পূবে – ২ নং যোগীপাৰা, পশ্চিমে – মালিবাৰী সত্ৰ, উত্তৰে – মালিবাৰী পথাৰ, দক্ষিণে – যোগীপাৰা গাওঁ অন্তৰ্গত।

শিংৰাবড়ী পালপাৰা গাওঁখনৰ মুঠ জনসংখ্যা ৩০০ জন ৫৪ খন ঘৰেৰে আৱৰা। অধ্যয়নৰ বাবে কেৱল ২০ খন ঘৰহে বাচি লোৱা হৈছে। গাওঁখনৰ বাট পথ খুবেই অনুন্নত।

## অধ্যয়নৰ পদ্ধতি : (Methods of the Study)

এই প্ৰকল্পটো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিশেষকৈ দুটা পদ্ধতিৰ সহায়ত তথ্য সংগ্ৰহ কৰা হৈছে। পদ্ধতি দুটা হ'ল – (i) প্ৰাথমিক তথ্য সংগ্ৰহ আৰু (ii) গৌণ তথ্য সংগ্ৰহ বা মাধ্যমিক তথ্য। প্ৰাথমিক তথ্যৰ ভিতৰত – মৌখিক সাক্ষ্য, পৰ্যবেক্ষণ আৰু গৌণ উৎসৰ ভিতৰত – কিতাপ-পত্ৰ, অপ্ৰকাশিত ব্যক্তিগত উৎস, সাময়িক আলোচনা, ইন্টাৰনেট, ভুমিভঁৰাল আদি উৎসৰ সহায় লৈ প্ৰকল্প প্ৰস্তুতৰ তথ্য সংগ্ৰহ কৰিছো।

মোৰ এই গৱেষণা পত্ৰখনত লিখন পদ্ধতিত দ্বৈত মাধ্যম ব্যৱহাৰ কৰা হৈছে। অসমীয়া ভাষা মূল মাধ্যম হিচাপে আৰু ইংৰাজী ভাষা ক্ষেত্ৰ বিশেষে ব্যৱহাৰ কৰা হৈছে।

Head
Department of Education
Chhamaria Anchalik College
Date....................

Principal
Chhamaria Anchalik College

## অধ্যয়নৰ উদ্দেশ্য :(Objectives of the Study):

সমাজ এখনৰ শিক্ষিত আৰু অশিক্ষিত দুয়ো প্ৰকাৰৰ নিৱনুৱাই দেশ এখনৰ উন্নতকৰণৰ হেঙাৰ স্বৰূপ। নিৱনুৱা থকা প্ৰত্যেকটো পৰিয়ালত হতাশা, কাজিয়া, নৈৰাশ্য মনোভাৱ, নিৰাপত্তাহীনতা, অশান্তি, আৰ্থিক সংকট, কামত এলেহুৱা, মানসিক চাপ আদিৰ নিচিনা সমস্যাই দেখা দিয়ে।

গতিকে সমাজৰ পৰা এনেধৰণৰ সমস্যা ৰোধিব বাবে প্ৰত্যেকজন নিৱনুৱাক চৰকাৰী সাহায্য প্ৰদান, গুণগত বহুমুখী শিক্ষাৰ ব্যৱস্থাকৰণৰ জড়িয়তে প্ৰত্যেকজন ব্যক্তিক মানৱ সম্পদলৈ ৰূপান্তৰিত কৰা আৰু দেশৰ উৎপাদনমূলক কাৰ্যত নিয়োগ কৰাই হৈছে এই ক্ষুদ্ৰ গৱেষণা প্ৰকল্পৰ অধ্যয়নৰ উদ্দেশ্য।

গতিকে উপৰিউক্ত উদ্দেশ্যৰ উপৰিও আৰু কেইবাটাও অধ্যয়নৰ উদ্দেশ্য তলত উল্লেখ কৰা হ'ল—

- গাওঁখনত প্ৰকৃত নিৱনুৱা সম্পৰ্কে তথ্য আহৰণ কৰা।
- গাওঁখনত কিমান সংখ্যক শিক্ষিত আৰু অশিক্ষিত নিৱনুৱা আছে সেই সম্পৰ্কে তথ্য সংগ্ৰহ কৰা।
- বৰ্তমানত প্ৰকৃত নিৱনুৱা সৃষ্টিৰ কাৰণ সম্বন্ধে জনা।
- নিৱনুৱাৰ প্ৰকাৰসমূহ উদ্ঘাটন কৰা আৰু ইয়াৰ প্ৰতিকাৰৰ বাবে চেষ্টা চলোৱা আৰু সঠিক সমাধান আগবঢ়োৱা।
- কিমান সংখ্যকে নিজ কৰ্মৰ আয়েৰে পৰিয়াল পৰিচালনা কৰে তাৰ তথ্য সংগ্ৰহ কৰা।
- গাওঁখনত মহিলা শিক্ষাৰ গুৰুত্ব তথা নিয়োগত কিমানে গুৰুত্ব দিয়ে তাক অনুসন্ধান কৰা।

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

- শিক্ষাই সদায় বৰ্ধিত জনসংখ্যা হ্ৰাসকৰণৰ কথাকে কয়। গতিকে বৰ্ধিত জনসংখ্যা ৰোধ কৰাৰ সজাগতা সৃষ্টি কৰা ইয়াৰ এক উদ্দেশ্য।
- দেশৰ প্ৰত্যেকজন নাগৰিকক মানৱ সম্পদলৈ ৰূপান্তৰৰ প্ৰচেষ্টা।
- শিক্ষা আৰু নিয়োগৰ মাজত থকা ব্যৱধান হ্ৰাস কৰা।
- নাৰীক উচ্চ শিক্ষা আৰু চাকৰি/ কৰ্মসংস্থাপনৰ সজাগতা বৃদ্ধি কৰা।
- ঔদ্যোগিক প্ৰসাৰতা বৃদ্ধি কৰি, ইয়াৰ কৌশল শিকোৱা।
- প্ৰাপ্তবয়স্ক, মুক্ত, দূৰত্ব আৰু বহুমুখী শিক্ষাৰ ব্যাপকতা জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তোলা।
- দেশে এখনৰ উৎপাদন বৃদ্ধি কৰা আৰু আৰ্থ সামাজিক দিশৰ উন্নয়ন ঘটোৱা।
- প্ৰত্যেকজন ব্যক্তিক প্ৰযুক্তিক, কাৰিকৰী আৰু গুণগত শিক্ষাৰে দক্ষ কৰি গঢ়ি তোলা।
- প্ৰত্যেক জনগণক সু-নাগৰিক হিচাপে গঢ়ি তোলা আৰু ৰাষ্ট্ৰৰ সেৱা কাৰ্যত নিয়োগ কৰোৱা।
- অৰ্থনৈতিক স্বাৱলম্বিতা অৰ্জন কৰি আৰ্থিক অনাটন দূৰ কৰা।
- প্ৰত্যেক ব্যক্তিৰ অন্তৰত নিহিত হৈ থকা সুপ্ত প্ৰতিভাৰ বিকাশ সাধিন কৰা।
- শিক্ষাৰ ব্যাপকতা বৃদ্ধি কৰা।

গতিকে ওপৰত উল্লেখিত উদ্দেশ্য যদি বাস্তৱত কাৰ্যকৰী হয় তেন্তে নিৰনুৱা সমস্যাও দূৰ কৰিব পৰা যাব আৰু শিক্ষা ব্যৱস্থাৰ ব্যাপক পৰিৱৰ্তন হ'ব।

Head
Department of Education
Chhamaria Anchalik College
Date....................

Principal
Chhamaria Anchalik College

## অধ্যয়নৰ পূৰ্বানুমান : (Hypothesis of the Study.)

দেশৰ বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি উপযুক্ত, পূৰ্বপৰিকল্পিত, কৰ্মমুখী আৰু বিজ্ঞানভিত্তিক শিক্ষা ব্যৱস্থাকৰণৰ জৰিয়তে নিৰনুৱা সমস্যা দূৰ কৰিব পৰা যায়।

## প্ৰকল্পত ব্যৱহৃত ধাৰণাৰ সংজ্ঞা :

প্ৰকল্পটোৰ বিষয় হ'ল – 'নিৰনুৱা সমস্যা দূৰীকৰণত শিক্ষাৰ ভূমিকা'। এই প্ৰকল্পটোত ব্যৱহাৰ কৰা ধাৰণাৰ সংজ্ঞা বিষয়টোৰ লগত সজিতা খুৱাই উপস্থাপন কৰা হ'ল –

নিৰনুৱা :– এই প্ৰকল্পটোত নিৰনুৱা ব্যক্তি হিচাপে পুৰুষ-মহিলা, শিক্ষিত-অশিক্ষিত (কেৱল দৈহিক বাধাগ্ৰস্তক অন্তৰ্ভুক্ত কৰা হোৱা নাই) আদি সকলো প্ৰকাৰৰ ব্যক্তি/মানুহক অন্তৰ্ভুক্ত কৰা হৈছে। যিসকলে আনৰ ওপৰত নিৰ্ভৰশীল, ব্যক্তিগত ব্যৱসায় বা দক্ষতা নাই, নিম্ন উপাৰ্জনমুখী বৃত্তি আদিত নিৰ্ভৰশীল।

শিক্ষা : শিক্ষা বুলি কওঁতে ইয়াতে বহুমুখী শিক্ষাৰ কথা উল্লেখ কৰা হৈছে। অৰ্থাৎ জীৱনৰ প্ৰথম শিক্ষাস্থলী বা বিদ্যালয়- প্ৰাথমিক বিদ্যালয়ৰ পৰা মাধ্যমিক- উচ্চশিক্ষা আদি সকলো শিক্ষা গ্ৰহণৰ কথাকে কোৱা হৈছে। আৰু শৈক্ষিক ব্যৱস্থাপনাত অন্তৰ্গত ভিন্ন দিশ যেনে – প্ৰাযুক্তিক, কাৰিকৰী, বৃত্তিমূলক, প্ৰায়োগিক আদি শিক্ষা বিষয়, মুক্ত, দূৰ আৰু প্ৰাপ্তবয়স্ক শিক্ষা, সুপ্ত-প্ৰতিভা বিকাশৰ প্ৰতিষ্ঠান, সহ-পাঠ্যক্ৰমিক কাৰ্যসূচী, আধুনিকীকৰণ, নতুন পাঠ্যক্ৰম প্ৰণয়ন আদি সমগ্ৰ শিক্ষা বিষয়ক দিশসমূহ তথা সুব্যৱস্থাসমূহ সামৰি লোৱা হৈছে।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

## অধ্যয়নটোৰ সীমাবদ্ধতা :(Delimitation of the Study)

অধ্যয়নৰ সীমাবদ্ধতা বুলি ক'লে মোৰ এই ক্ষুদ্ৰ গৱেষণা প্ৰকল্পখন প্ৰস্তুত কৰোতে সন্মুখীন হোৱা সমস্যাবোৰৰ কথাকে সূচোৱা হৈছে। অৰ্থাৎ প্ৰকল্প প্ৰস্তুত-কৰণৰ ক্ষেত্ৰত সন্মুখীন হোৱা বস্তুগত সঁজুলিৰ অভাৱ লগতে ব্যক্তিনিষ্ঠ সমস্যাকো সামৰি অধ্যয়নৰ সীমাবদ্ধতাই বাধা দিয়ে। অতি সীমিত সময়ৰ ভিতৰত প্ৰস্তুত কৰা প্ৰকল্পটোৰ সীমাবদ্ধতা-বোৰ তলত উল্লেখ কৰা হ'ল —

১। প্ৰথমতে এক সীমিত সময়ৰ ভিতৰত - চূড়ান্ত পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ লগতে গৱেষণাৰ প্ৰকল্প প্ৰস্তুতি, জৰীপ কাৰ্য, তথ্য সংগ্ৰহ আদি সকলো একেলগে চম্ভালি লোৱাত মানসিক চাপৰ সন্মুখীন হৈছো।

২। কোনো বিষয়ৰ গৱেষণা এখন প্ৰস্তুত কৰিবলৈ যাওঁতে যথেষ্ট সংখ্যক তথ্য, কিতাপ-পত্ৰৰ প্ৰয়োজন। কিন্তু পুথিভঁৰালত প্ৰয়োজনীয় নিৰ্ধাৰিত গৱেষণা গ্ৰন্থৰ অভাৱৰ লগতে কিছুমান সমস্যাৰ বাবে কেৱল দুখন কিতাপৰহে সহায় লবলগীয়া হৈছে।

৩। এক সীমিত সময়ত অধ্যয়ন কৰিব লগা হোৱা বাবে বেছি বহলভাৱে গৱেষণা প্ৰকল্প খন প্ৰকাশ কৰা নগ'ল।

৪। গৱেষণাৰ বাবে প্ৰয়োজন হোৱা সা-সঁজুলিৰ সীমাবদ্ধ।

৫। গৱেষণাৰ বাবে এক সুন্দৰ, শৈক্ষিক পৰিৱেশৰ অনুপস্থিতা।

৬। প্ৰকল্প প্ৰস্তুতকৰণৰ ক্ষেত্ৰত গৱেষণা কাৰ্য হৈছে এক ব্যয়বহুল ব্যৱস্থা।

৭। অধ্যয়নত কেৱল শাৰিৰীকভাৱে সক্ষক ব্যক্তিকহে জড়িত কৰা হৈছে। ইয়াত দৈহিকভাৱে বিকলাংগ অথবা অক্ষম ব্যক্তিক গুৰুত্ব প্ৰদান কৰা হোৱা নাই।

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

৮। অধ্যয়নৰ বাবে লোৱা গাওঁখনৰ ভৌগলিক এলেকা ডাঙৰ হোৱা বাবে এখন চুবুৰীহে প্ৰকল্প প্ৰস্তুতিৰ বাবে লোৱা হৈছে।

৯। অতি সীমিত/কম সময়ৰ ভিতৰত প্ৰস্তুত কৰা প্ৰকল্পৰ নিৰ্ধাৰিত চুবুৰীত জৰীপ কৰিবলৈ যাওঁতে যদিও ৫৪ খন ঘৰ আছে। তথাপিও ২০ খন ঘৰহে অধ্যয়নৰ বাবে লোৱা হৈছে।

## অধ্যয়নৰ নমুনা: (Sample of the Study).

প্ৰকল্প এটাৰ বাবে যিমানে বেছি নমুনা ল'ব পাৰি সিমানে প্ৰকল্পটোৰ নিৰ্ভৰযোগ্যতা আৰু বৈধতা বাঢ়ে। কিন্তু অতি সীমিত সময়ৰ ভিতৰত - মালিবাৰী সত্ৰ গাওঁখন সম্পূৰ্ণ অধ্যয়নৰ বাবে নলৈ কেৱল শিংৰাবৰী পালপাৰা গাওঁখনকহে অধ্যয়নৰ বাবে নিৰ্ধাৰণ কৰি লোৱা হৈছে। যাতে সীমিত সময়ৰ ভিতৰত প্ৰকল্প এটাৰ সুন্দৰ ৰূপ দিব পাৰি।

সেই অনুযায়ী শিংৰাবৰী পালপাৰা গাওঁখনত ৩০০ জনসংখ্যা থকাৰ লগতে ৫৪ খন ঘৰ থকিলেও মোৰ এই ক্ষুদ্ৰ গৱেষণাৰ অধ্যয়নৰ বাবে মই ২০ খন ঘৰহে বাচি লৈছো। যাতে এইকেইটা ঘৰৰ পৰাই এক সামগ্ৰিক পৰ্যবেক্ষণ কৰিব পাৰি।

মোৰ এই অধ্যয়নটোত ২০ খন ঘৰৰ সদস্যৰ ভিতৰত ডেকাছামক জৰীপ কৰি লোৱা হৈছে। কিয়নো প্ৰাপ্তবয়স্ক ব্যক্তি এজনেই দেশৰ উন্নয়নকৰ্তা, সুনাগৰিক- পৰিয়াল পৰিচালক। সেইবাবে প্ৰত্যেক এজন উৎপাদক, অৰ্থনৈতিক স্বাৱলম্বী তথা আত্মনিৰ্ভৰশীল হোৱাটো নিতান্তই প্ৰয়োজনীয়।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

# দ্বিতীয় অধ্যায়

**গৱেষণাৰ লগত জড়িত সাহিত্য কৃতি : (Review of related Literature) :** মোৰ এই ক্ষুদ্ৰ গৱেষণা পত্ৰখন প্ৰস্তুত কৰোতে প্ৰথমতে মই শিক্ষাবিদ ড° উৎপল কলিতা, সুমন বৰ্মন আৰু সমীৰণ কলিতাই লিখা 'শিক্ষাত উন্মেষিত বিচাৰ্য বিষয়' নামৰ গ্ৰন্থখনৰ সহায় লৈছো। এই গ্ৰন্থখনত সমাজৰ এটি বিচাৰ্য বিষয় তথা জ্বলন্ত সমস্যা 'নিবনুৱা সমস্যা'ৰ বিষয়ে বিতং কৈ দিয়া আছে। এই গ্ৰন্থখন অধ্যয়ন কৰি দৃষ্টিগোচৰ হোৱা উল্লেখনীয় দিশবোৰ তলত উল্লেখ কৰা হ'ল–

(ক) ড° উৎপল কলিতা সহ লিখকদ্বয়ে এই গ্ৰন্থখনত নিবনুৱাৰ ক্ষেত্ৰত 'শিক্ষিত নিবনুৱাৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰিছে।

(খ) গ্ৰন্থখন অধ্যয়ন কৰি দেখা গ'ল যে– নিবনুৱা সমস্যাৰ গৱেষণাৰ উদ্দেশ্য আছিল– দেশত অতিমাত্ৰা বৃদ্ধি পোৱা শিক্ষিত নিবনুৱাৰ প্ৰতিকাৰ আৰু প্ৰতিৰোধৰ ব্যৱস্থা।

দ্বিতীয়তে, সহায় লৈছিলো হৃদা বৰুৱাই লিখা গৱেষণা গ্ৰন্থ 'ভাৰতীয় অৰ্থনীতি'ৰ এক চমু আভাস (নিবনুৱা সমস্যাৰ) ৰ পৰা। এই গ্ৰন্থখনৰ পৰা বিশেষ তথ্য লোৱা নাই। কিয়নো গ্ৰন্থখন যথেষ্ট পুৰণা আছিল। এই গ্ৰন্থখনত নিবনুৱা সমস্যা দূৰীকৰণৰ ক্ষেত্ৰত কেতবোৰ পৰিকল্পনা আৰু নিয়োগৰ বিষয়ে উল্লেখ আছিল। যি পৰিকল্পনা (৩য়-৭ম পৰিকল্পনা) বহুত পুৰণি হোৱা বাবে তথ্যসমূহৰ দাবি ৰখা নহ'ল।

ড° উৎপল কলিতাই তেখেতৰ গৱেষণাৰ গ্ৰন্থৰ জড়িয়তে অধ্যয়ন কৰি দেখা গ'ল যে– তেখেতে শিক্ষিত নিবনুৱা প্ৰতিকাৰৰ বাবে যথেষ্ট চৰকাৰৰ ভূমিকা/ শৈক্ষিক ব্যৱস্থা আগবঢ়াইছে। তাৰ কাৰণে অশেষ ধন্য মানিছো আৰু তেখেতৰ অধ্যয়নৰ লগত সংগতি ৰাখি মই সকলো প্ৰকাৰৰ নিবনুৱাৰ কৰ্মসংস্থাপনৰ বাবে এইখন ক্ষুদ্ৰ গৱেষণা প্ৰস্তুত কৰিবলৈ ওলাইছো।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

## নিবনুৱাৰ ধাৰণা :

সাধাৰণতে যিসকল লোকে কাম নকৰি অনাই-বনাই ঘূৰি ফুৰে। তেওঁলোকক নিবনুৱা বুলি কোৱা হয়। কিন্তু নিবনুৱাৰ ধাৰণা প্ৰকৃতপক্ষে কিছু পৃথক। কোনো এটা কাম কৰাৰ ক্ষমতা আৰু ইচ্ছা থকা স্বত্বেও যিসকল কৰ্মক্ষম লোকে দেশৰ প্ৰচলিত মজুৰিত কাম কৰাৰ সুবিধা নাপায়। সেইসকলক নিবনুৱা বুলি কোৱা হয়। অৰ্থাৎ কোনো এক কৰ্মৰ দক্ষতা থকা স্বত্বেও ব্যক্তিয়ে যেতিয়া কৰ্মসংস্থাপন নাপায় ঘৰত বহি থাকিবলগীয়া হয় আৰু অভিভাৱক, পিতৃ-মাতৃৰ ওপৰত নিৰ্ভৰ কৰি চলিব-লগীয়া হয় তেনে লোকক নিবনুৱা বুলি কোৱা হয়।

## নিবনুৱাৰ সংজ্ঞা :

নিবনুৱাৰ দুটা সংজ্ঞা তলত উল্লেখ কৰা হ'ল

আন্তৰাষ্ট্ৰীয় শ্ৰম সংগঠনে (International Labour Organisation) নিবনুৱাৰ সংজ্ঞা প্ৰদান কৰি কয় যে, " যেতিয়া বিগত চাৰি সপ্তাহ জুৰি কৰ্মৰ সন্ধান কৰিও যিসকল ব্যক্তিয়ে কৰ্ম-হীনভাৱে থাকিবলগীয়া হোৱা এক অৱস্থা।

এ. চি. পিগু (A. C. Pigou) ৰ মতে," নিবনুৱা মানে হ'ল— যিসকল কাম কৰাৰ প্ৰতি অনুৰাগি কিন্তু কৰ্ম বিচাৰি পালে সক্ষম নহয়" (Unemployment means, all those who are willing to work are not able to find job.)।

Head
Department of Education
Chhamaria Anchalik College
Date..................

Principal
Chhamaria Anchalik College

## ভাৰতত নিৱনুৱাৰ প্ৰকাৰ :

ভাৰতবৰ্ষৰ নিৱনুৱাসকলক প্ৰধানকৈ দুই ভাগত ভগাব পাৰি — (1) গ্ৰাম্য নিৱনুৱা আৰু (২) নগৰীয়া নিৱনুৱা। এই দুটা ভাগক আকৌ কেইবাটাও উপভাগত ভগোৱা হয়। তলত এই ভাগবোৰ উল্লেখ কৰা হ'ল —

### (1) গ্ৰাম্য নিৱনুৱা (Rural Unemployment) :

গ্ৰামাঞ্চলত পোৱা নিৱনুৱাসকল গ্ৰাম্য নিৱনুৱা বোলে। ই দুই প্ৰকাৰৰ —

(i) ঋতুজ নিৱনুৱা (Seasonal Unemployment) :—

ভাৰতবৰ্ষৰ 70% কৃষিভূমি বৰষুণৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে 12 মাহ জুৰি কৃষিকাৰ্য নচলে। গতিকে এক নিৰ্দিষ্ট ঋতুত কৃষিকাৰ্য কৰি বছৰৰ বাকিখিনি সময় এনেই বহি থাকিবলগীয়া হয়। এইদৰে সৃষ্টি হোৱা নিৱনুৱাক ঋতুজ নিৱনুৱা বোলে।

(ii) ছদ্মবেশী নিৱনুৱা বা প্ৰচ্ছন্ন নিৱনুৱা (Disguised or Perennial Unemployment) :—

ভাৰতৰ গ্ৰামীন অঞ্চলত পৰিয়ালৰ আটাইকেইজন সদস্যই কৃষিকাৰ্যত জড়িত হৈ পৰে। তাৰে কেইজন মানক কৃষিকাৰ্যৰ পৰা বাদ দিলেও মুঠ উৎপাদন হ্ৰাস নাপায়। যিসকল মানুহক কৃষি কাৰ্যৰ পৰা বাদ দিলেও উৎপাদনৰ কোনো পৰিৱৰ্তন নহয় অৰ্থাৎ যিকেইজন মানুহৰ প্ৰান্তিক উৎপাদন শূন্যৰ সমান অৰ্থাৎ এইকেইজনৰ কৃষিকাৰ্যত কোনো অৰিহণা নাই। এওঁলোকক প্ৰচ্ছন্ন বা ছদ্মবেশী নিৱনুৱা বোলে।

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

(২) নগৰীয়া নিৰনুৱা (Urban Unemployment):

চহৰাঞ্চলত থকা নিৰনুৱাসকলেই নগৰীয়া নিৰনুৱা বোলে। ই তিনি প্ৰকাৰৰ –

(i) ঔদ্যোগিক নিৰনুৱা (Industrial Unemployment):

নগৰ অঞ্চলত ক্ৰমান্বয়ে জনসংখ্যা যি হাৰত বৃদ্ধি হৈছে, ঔদ্যোগিকৰণৰ হাৰ সেইদৰে বৃদ্ধি পোৱা নাই। গতিকে এনে কাৰণত নগৰ অঞ্চলত ঔদ্যোগিক নিৰনুৱাৰ সৃষ্টি হৈছে।

(ii) শিক্ষিত নিৰনুৱা (Educated Unemployment):

যিসকল ব্যক্তি আধিকৰা শিক্ষা গ্ৰহণ কৰি কোনো কৰ্ম-সংস্থাপন পোৱা নাই নাইবা মাধ্যমিক, উচ্চশিক্ষা গ্ৰহণ কৰিও কোনো উৎপাদনমূলক কৰ্মত নিয়োগ হ'ব পৰা নাই নাইবা চৰকাৰী চাকৰিও পোৱা নাই। তেনে ব্যক্তিক শিক্ষিত নিৰনুৱা বোলে।

সাধাৰণতে এনে নিৰনুৱাৰ সংখ্যা নগৰ অঞ্চলত অত্যাধিক পৰিমানে দেখা পোৱা যায়। ভাৰতৰ প্ৰবেশিকা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী, স্নাতক আৰু স্নাতোকত্তৰ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীৰ মাজত নিৰনুৱাৰ সংখ্যা উদ্বেগজনভাৱে বৃদ্ধি পাইছে।

(iii) চক্ৰীয় নিৰনুৱা ( Cyclical Unemployment

ঔদ্যোগিক খণ্ডৰ মন্দাৱস্থাত চাহিদা হ্ৰাস পোৱাৰ ফলত উৎপাদনো হ্ৰাস পায়। উৎপাদন কমি যোৱা বাবে শ্ৰমিকৰ চাহিদা কমি যায়। ফলত নিৰনুৱাৰ সৃষ্টি হয়। এনেদৰে সৃষ্টি হোৱা নিৰনুৱাক চক্ৰীয় নিৰনুৱা বোলে।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

## শিক্ষিত নিবনুৱাৰ ধাৰণা :

শিক্ষিত নিবনুৱা হৈছে নগৰীয়া নিবনুৱাৰ এটা অন্যতম প্ৰকাৰ। যদিও ই বৰ্তমান গ্ৰামাঞ্চলতো প্ৰভাৱ বিস্তাৰ কৰিছে। শিক্ষিত নিবনুৱাৰ সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰি দেশৰ আৰ্থ-সামাজিক অৱস্থাৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই আনিছে।

শিক্ষিত নিবনুৱা বুলিলে শিক্ষিত ব্যক্তিসকলে নিজৰ যোগ্যতা অনুসৰি কাম কৰাৰ সুবিধা নোপোৱা অৱস্থাটোৰ কথাকে বুজোৱা হয়। সাধাৰণতে যিসকল শিক্ষিত ব্যক্তিয়ে দেশৰ প্ৰচলিত মজুৰিত কৰ্ম কৰাৰ সুবিধা নাপায়। সেইসকলকে শিক্ষিত নিবনুৱা বোলে।

১৬ অক্টোবৰ ২০২০ চনত Statistia Research Department ৰ দ্বাৰা প্ৰকাশিত এক তথ্য অনুসৰি ভাৰতবৰ্ষত ২০১৯ চনত ১৬.৩% স্নাতক ডিগ্ৰীধাৰী নিবনুৱা থকাৰ লগতে স্নাতোকত্তৰ আৰু ইয়াৰ উচ্চ পৰ্য্যায়ৰ শিক্ষা আহৰণ কৰা নিবনুৱাৰ হাৰ ১৪.২% লৈ বৃদ্ধি পাইছে।

অসমৰ অন্যান্য সমস্যাৰ লগতে নিবনুৱা সমস্যাটোও হৈছে এটা ভয়াৱহ আৰু জলন্ত সমস্যা। অসম এখন প্ৰাকৃতিকভাৱে সম্পদশালী হোৱা স্বত্বেও মানৱ সম্পদৰ অপচয়ে ৰাজ্যখনক অনগ্ৰসৰ কৰি ৰাখিছে। কাৰণ মানৱ সম্পদৰ বিকাশ হোৱাৰ লগতেই দেশ এখনৰো সৰ্বদিশৰ বিকাশ আৰম্ভ হয়।

অসমৰ পটভূমিত শিক্ষিত যুৱক-যুৱতীসকলৰ মাজত কৰ্ম-সংস্থাপন লৈ সৃষ্টি হোৱা উদ্বেগজনক পৰিস্থিতিয়ে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ বাটত প্ৰধান হেঙাৰ স্বৰূপে থিয় দিছে। সেইকাৰণে ২০১৭ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখে অসমৰ মাননীয় বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মা ডাঙৰীয়াই নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে তেওঁৰ বাজেট ভাষণত 'স্বামী বিবেকানন্দ অসম যুৱ সবলীকৰণ যোজনা (Swami Vivekananda Assam Youth Empowerment Yojana)

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। ২০১৭ চনত শুভাৰম্ভ কৰা এই যোজনাৰ প্ৰধান উদ্দেশ্য আছিল - অসম চৰকাৰৰ দ্বাৰা নিৰ্মাণ, ব্যৱসায় আৰু সেৱাখণ্ডত উপাৰ্জন সৃষ্টিকাৰী কাৰ্য্যকলাপ গ্ৰহণ কৰিবলৈ অসমৰ যুৱছামক বিত্তীয় সমৰ্থন প্ৰদান কৰা। এই নতুন আঁচনিখনৰ অধীনত অসম চৰকাৰে যুৱ প্ৰজন্মৰ মাজত উদ্যোমিতা শক্তিক প্ৰোৎসাহিত কৰিবলৈ ২ লাখ যুৱক-যুৱতীক ৫০,০০০ টকা প্ৰদান কৰিব। অসমত বৰ্তমান নিৰনুৱাৰ হাৰ ৮.১%।

## ভাৰতত নিৰনুৱা পৰিমাপনৰ পদ্ধতি :

পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ অধীনত থকা সংগঠন ৰাষ্ট্ৰীয় নমুনা জৰীপ কাৰ্যালয়ে (National Sample Survey Office) নিম্নলিখিত পদ্ধতিৰ ওপৰত ভাৰতত নিৰনুৱা পৰিমাপনৰ কৰা হয় -

(ক) সাধাৰণ স্থিতি পদ্ধতি : এই পদ্ধতিয়ে সেইসকলক নিৰনুৱা বুলি অনুমান কৰে যাৰ জৰীপৰ তাৰিখৰ আগতে ৩৬৫ দিনৰ ভিতৰত মুখ্য সময়ৰ বাবে কোনো লাভজনক কাম নাই।

(খ) সাপ্তাহিক স্থিতি পদ্ধতি : এই পদ্ধতিয়ে কেৱল সেইসকলক নিৰনুৱা বুলি ৰেকৰ্ড কৰে, যিসকলে সপ্তাহৰ যিকোনো এটা দিনত এক ঘণ্টাৰ বাবেও লাভজনক কাম কৰা নাই।

(গ) দৈনিক স্থিতি পদ্ধতি : এই পদ্ধতিৰ অধীনত, এজন ব্যক্তিৰ নিৰনুৱা স্থিতি প্ৰসংগ সপ্তাহত প্ৰতিদিনে জোখা হয়। দিনত ১ ঘণ্টাৰ বাবেও কোনো লাভজনক কাম নথকা ব্যক্তিক সেই দিনটোৰ বাবে নিৰনুৱা বুলি বৰ্ণনা কৰা হয়।

সতিকৈ ওপৰত উল্লেখ কৰা নিৰনুৱা পৰিমাপনৰ পদ্ধতিৰ ভিত্তিত আমি নিৰনুৱা মানুহৰ প্ৰকৃতি সম্পৰ্কে এক আভাস পাব পাৰি।

Head
Department of Education
Chhamaria Anchalik College
Date.....................
Principal
Chhamaria Anchalik College

## নিবনুৱা সমস্যাৰ কাৰণবোৰ :

বৰ্তমান দ্ৰুতগতিত জনসংখ্যা বৃদ্ধিৰ ফলত বিভিন্ন সমস্যাৰ সৃষ্টি হয়। যি সমস্যাই নিবনুৱা সৃষ্টিতো ইন্ধন যোগায়। শিক্ষিত, অশিক্ষিত আদি সকলো প্ৰকাৰৰ নিবনুৱা সৃষ্টিৰ অন্তৰালত কেতবোৰ কাৰণ নিহিত হৈ আছে।
আপাত দৃষ্টিত কৰ্ম সংস্থাপনৰ অভাৱকে শিক্ষিত নিবনুৱা সমস্যাৰ একমাত্ৰ কাৰণ যেন লাগিলেও প্ৰকৃতাৰ্থত ই হৈছে মিশ্ৰিত কাৰণৰ সমাহাৰত তৈয়াৰ হোৱা এক অতি সংবেদনশীল সমস্যা। তলত নিবনুৱা সৃষ্টি তথা সমস্যাৰ কাৰণবোৰ উল্লেখ কৰা হল —

### ১। জনসংখ্যাৰ অনাকাংক্ষিত বৃদ্ধি :

দেশত জনসংখ্যাৰ দ্ৰুত গতিত বৃদ্ধি হোৱাৰ বাবে অৰ্থনৈতিক, পাৰিবেশিক, সামাজিক, শৈক্ষিক আদি বিভিন্ন সমস্যাই জুমুৰি ধৰিছে। অৰ্থনৈতিক সমস্যাৰ ফলত কোনোবাই নিজে ব্যৱসায় গঢ়াত ব্যৰ্থ হৈছে আকৌ আন কোনোবাই উচ্চ শিক্ষা লাভত ব্যৰ্থ হৈছে ফলত এনেকৈ নিবনুৱা সৃষ্টি হয়।

### ২। চাকৰিমুখী প্ৰৱণতা :

প্ৰবল চাকৰিমুখী প্ৰৱণতা হল শিক্ষিত নিবনুৱা সৃষ্টিৰ এক অন্যতম কাৰণ।
আজিকালি প্ৰত্যেক ব্যক্তিৰ মনত এনেকুৱা এক ভাৱ হৈছে যে- চৰকাৰী চাকৰিয়েই হল জীৱন-নিৰ্বাহৰ সৰ্বশ্ৰেষ্ঠ বৃত্তি। বহু উচ্চ শিক্ষিত লোকে কেতিয়াবা চৰকাৰী চাকৰিৰ আশাত

Head
Department of Education
Chhamaria Anchalik College
Date....................

Principal
Chhamaria Anchalik College

৩। কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টিকৰণৰ ব্যৰ্থতা :

ভাৰতবৰ্ষ হৈছে এক বিশাল জনবহুল দেশ। এই দেশৰ কৰ্মঠ জনগণৰ বাবে পৰ্যাপ্ত কৰ্ম সংস্থাপনৰ সুবিধা প্ৰদান কৰাটো হ'ল দেশৰ চৰকাৰখনৰ প্ৰতি এক বিৰাট প্ৰত্যাহ্বান। দেখা যায় যে - প্ৰতিখন চৰকাৰে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত কৰ্মসংস্থাপন সৃষ্টিৰ বাবে দিয়া প্ৰতিশ্ৰুতি আৰু তাৰ ফলশ্ৰুতিৰ মাজত এক ব্যাপক ব্যৱধান দেখা যায়। চাহিদা অনুযায়ী কৰ্ম সংস্থাপনৰ পৰ্যাপ্ত-হীনতাই শিক্ষিত নিবনুৱাৰ সমস্যাটো সমস্যা হৈ থকাৰ এটা প্ৰধান কাৰণ।

৪। কৰ্ম সংস্কৃতিৰ অভাৱ :

কৰ্মবিমুখ জাতি এটাই কেতিয়াও প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে। দেশৰ প্ৰত্যেকজন ব্যক্তিয়ে কৰ্মৰ প্ৰতি প্ৰেম আৰু শ্ৰদ্ধাশীল হ'ব লাগে। কিন্তু দুৰ্ভাগ্যবশত: ব্যক্তিৰ মনত কৰ্ম সংস্কৃতিৰ অভাৱে নিবনুৱা সমস্যা বৃদ্ধিত অৰিহনা যোগায়।

৫। বৃত্তিমূলক প্ৰশিক্ষণৰ অভাৱ:

বৃত্তিমূলক আৰু কাৰিকৰী প্ৰশিক্ষণৰ অভাৱক শিক্ষিত নিবনুৱা সমস্যা বৃদ্ধিৰ আন এক কাৰণ। প্ৰচলিত শিক্ষা ব্যৱস্থাই তাত্ত্বিক জ্ঞানৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰাত আৰু ব্যৱহাৰিক তথা প্ৰায়োগিক দিশৰ ওপৰত আওকাণ কৰাত শিক্ষাৰ্থীসকলৰ মাজত অৰ্থনৈতিক স্বনিৰ্ভৰশীলতাৰ অভাৱ ঘটিছে।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

৬। কৰ্ম কুশলতাৰ অভাৱ:

বৰ্তমান যুগটো হৈছে- 'যোগ্য ভোগ্য বসুন্ধৰাৰ যুগ'। এনে যুগত যোগ্যতাৰে জীয়াই থাকিবলৈ হ'লে আমি প্ৰয়োজনীয় দক্ষতাবোৰ অৰ্জন কৰিব লাগিব। কিন্তু নৈৰাশ্য, এলেহুৱা মানসিকতা কৰ্মৰ কৌশল-দক্ষতা অৰ্জনত ব্যৰ্থ হৈছে - ফলত নিৰনুৱা নিৰনুৱা গঢ় লৈছে আৰু প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ত্ৰুটিপূৰ্ণ আৰু মুখস্থকেন্দ্ৰিক পৰীক্ষাৰ ব্যৱস্থায়ো শিক্ষাৰ্থীসকলৰ মাজত এক অসুস্থ প্ৰতিযোগিতাই বাহ লৈছে। ফলত শিক্ষাৰ্থীৰ মাজতো প্ৰকৃত দক্ষতাৰ বিকাশ হ'ব পৰা নাই।

৭। পুৰণিকলীয়া কৃষি পদ্ধতি:

আমাৰ দেশ ভাৰতবৰ্ষ হৈছে এখন কৃষিপ্ৰধান দেশ। কৃষি ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ। এই কৃষিৰ ওপৰতে আমাৰ অসমৰ সত্তোৰ শতাংশ মানুহ নিৰ্ভৰশীল। কিন্তু পুৰণিকলীয়া কৃষি পদ্ধতিৰ জড়িয়তে কৃষকসকলে শ্ৰম অনুযায়ী উৎপাদন বৃদ্ধি কৰিব পৰা নাই। আকৌ শিক্ষিত ব্যক্তিসকলে কৃষি খণ্ডৰ প্ৰতি দেখুওৱা উদাসীনতাই নিৰনুৱা সমস্যাক অধিক শক্তিশালী কৰি তুলিছে।

৮। প্ৰব্ৰজনৰ সমস্যা:

প্ৰব্ৰজনৰ সমস্যাও হ'ল নিৰনুৱা সৃষ্টিৰ আন এক কাৰণ। কিছুমান কাৰণ/সমস্যাৰ বাবে এখন ভৌগলিক এলেকাৰ পৰা আন এখন ঠাইলৈ প্ৰব্ৰজন হোৱাৰ ফলত অতি সোনকালে কৰ্ম সংস্থাপন নাপায়। ফলত নিৰনুৱাৰ সৃষ্টি হয়। কেতিয়াবা কৰ্মসূত্ৰে স্বল্পকালীন আৰু কেতিয়াবা দীৰ্ঘকালীন সময়ৰ বাবে প্ৰব্ৰজন স্ৰোত ভাৰতীয় মানুহৰ বাবে এখন চিনাকী সামাজিক ছবি।

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

৯। পিতৃপ্ৰধান মানসিকতা :

পিতৃপ্ৰধান বা পুৰুষতান্ত্ৰিক মানসিকতাৰ অৱস্থিতি হল অতীতমুখী সমাজৰ চূড়ান্ত নিদৰ্শন। এনে সংকীৰ্ণ মানসিকতাৰ লোকসকলে ছোৱালীসকলৰ কৰ্মসংস্থাপনৰ আকাংক্ষা আৰু প্ৰয়োজনীয়তাৰ প্ৰতি উদাসীন হোৱা দেখা যায়। এওঁলোকে ছোৱালীৰ বাবে অৰ্থনৈতিক স্বাধীনতাৰ প্ৰয়োজনবোধ নকৰে। ঘৰ চম্ভালি নিজক ব্যস্ত ৰখাটোৱে যেন ছোৱালীসকলৰ প্ৰধান কাম। এনেধৰণৰ পুৰণিকলীয়া চিন্তাই ছোৱালীসকলৰ মাজত নিবনুৱাৰ সংখ্যা বহুখিনি বৃদ্ধি কৰে।

১০। স্বজনপ্ৰীতি :

কৰ্মৰ পৃথিৱীখনত স্বজনপ্ৰীতিৰ উপস্থিতিক শিক্ষিত নিবনুৱা সমস্যাৰ অন্তৰালত থকা আন এক গুৰুত্বপূৰ্ণ কাৰণ। স্বজনপ্ৰীতিক অগ্ৰাধিকাৰ দি কৰা নিযুক্তিকৰণ প্ৰক্ৰিয়াই প্ৰকৃত মেধাসম্পন্ন ব্যক্তিৰ প্ৰতি অন্যায় কৰাৰ লগতে শিক্ষিত নিবনুৱাৰ সমস্যাটোক অধিক জটিল কৰি তোলে।

১১। প্ৰযুক্তিবিদ্যাৰ বিকাশ :

প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব বিকাশেও কেতিয়াবা শিক্ষিত নিবনুৱাৰ সৃষ্টি বা বৃদ্ধি কৰে। কাৰণ প্ৰযুক্তিবিদ্যাৰ এটা যন্ত্ৰই ১০০ কৰ্মচাৰীৰ কাম ১ জন অপাৰেটৰৰ দ্বাৰা সম্পাদন কৰিব পাৰে। গতিকে কিছু ক্ষেত্ৰত অৰ্থনীতিৰ বিকাশৰ বাবেও প্ৰযুক্তিবিদ্যাৰ আগমন আদৰণীয় আৰু একে সময়তেই কৰ্ম নিযুক্তিৰ সম্ভাৱনাও হ্ৰাস কৰে।

১২। প্ৰচলিত শিক্ষা ব্যৱস্থা :

প্ৰচলিত শিক্ষা ব্যৱস্থাৰ প্ৰায়-ভাগ দিশেই ত্ৰুটিপূৰ্ণ। যেনে- (i) মুখস্থকেন্দ্ৰিক আৰু ত্ৰুটিপূৰ্ণ পৰীক্ষা ব্যৱস্থা, (ii) নিম্ন মানদণ্ডৰ শিক্ষণ সজুঁলিৰ প্ৰয়োগ,

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

(iii) ভিন্নধৰণৰ বা পদ্ধতিৰ শিক্ষাদানৰ অভাৱ, (iv) উচ্চ প্ৰশিক্ষণ-প্ৰাপ্ত শিক্ষকৰ অভাৱ, (v) প্ৰাযুক্তিক কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰ অভাৱ, (vi) বহুমুখী পাঠ্যক্ৰমৰ অভাৱ, (vii) বৈষয়িক সম্পদৰ (ঘৰোপাযুক্ত) অভাৱ আদি বিভিন্ন সমস্যাৰ বাবে শিক্ষিত নিবনুৱা সমস্যাৰ বৃদ্ধি হৈ আছে। যি আমাৰ দেশ তথা ভৱিষ্যৎ প্ৰজন্মৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব।

১৪। মুক্ত আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ অভাৱ :

আমাৰ দেশত বৰ্তমানত পৰ্যাপ্ত পৰিমাণৰ মুক্ত আৰু প্ৰাপ্তবয়স্ক শিক্ষা ব্যৱস্থা গঢ় লৈ উঠা নাই। যাৰ বাবে বহুতো কৰ্মৰত অৰ্ধশিক্ষিত ব্যক্তি অথবা শিক্ষাৰ অপচয় কৰা ব্যক্তি আৰু বিবাহিত মহিলাসকলে উপযুক্ত দক্ষতাসম্পন্ন কৰ্মসংস্থাপন নোপোৱাৰ বাবে নিবনুৱা জীৱন-যাপন কটাবলগীয়া হৈছে। জনসংখ্যা অনুপাতে মুক্ত বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সংখ্যাও সীমিত।

১৫। সীমিত প্ৰশিক্ষণ কেন্দ্ৰ :

প্ৰত্যেক শিশু ভিন্ন প্ৰতিভা লৈ জন্মগ্ৰহণ কৰে। গতিকে এনে প্ৰতিভাবোৰ বিকাশৰ কাৰণে যথেষ্ট সংখ্যক প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰয়োজন। কিন্তু দুখৰ বিষয় যে - চৰকাৰৰ প্ৰশিক্ষণ কেন্দ্ৰৰ ব্যৱস্থা যথেষ্ট সীমিত বা কম। আৰু গ্ৰামাঞ্চলত প্ৰশিক্ষণ প্ৰতিষ্ঠান নায়েই। যাৰ ফলত শিক্ষাৰ্থী বা ব্যক্তিয়ে তেওঁলোকৰ প্ৰতিভাবোৰ বিকাশৰ সুযোগ নোপোৱাত হীনমান্যতাত ভুগিছে আৰু জীৱনৰ লক্ষ্য নিৰ্ধাৰণতো ব্যৰ্থ হৈছে। ফলত পছন্দৰ বৃত্তিত আত্মনিয়োগত ব্যৰ্থ হৈছে আৰু সেয়ে নিবনুৱা সৃষ্টিত ই এক ডাঙৰ সমস্যাস্বৰূপ।

গতিকে ওপৰত উল্লেখ কৰা সমস্যাবোৰৰ বাবেই আমাৰ দেশত নিবনুৱা সংখ্যা দিনক-দিনে বৃদ্ধি পাই আছে।

Head
Department of Education
Chhamaria Anchalik College
Date..................

Principal
Chhamaria Anchalik College

## শিক্ষিত নিৱনুৱাৰ প্ৰভাৱ :

বৰ্তমান দেশে এখন উন্নতকৰণ তথা মানৱ সম্পদৰ বিকাশৰ ক্ষেত্ৰত শিক্ষিত নিৱনুৱা দেশখনৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান। দেশৰ শিক্ষা, অৰ্থনীতি, ৰাজনীতি, সমাজনীতি আদিৰ প্ৰগতিৰ ক্ষেত্ৰত শিক্ষিত নিৱনুৱা এক হেঙাৰ স্বৰূপ পৰিণত হৈছে। শিক্ষিত নিৱনুৱাই প্ৰভাৱ পেলোৱা দিশবোৰ তলত উল্লেখ কৰা হ'ল—

১। শিক্ষাৰ মৰ্যদা অনুযায়ী কৰ্মৰ পৃথিৱীখনত নিজকে প্ৰতিষ্ঠিত কৰিব নোৱাৰাৰ ফলত বহু যুৱক-যুৱতীয়ে নৈৰাশ্য আৰু মানসিকভাৱে হতাশগ্ৰস্ত হৈ পৰে।

২। শিক্ষিত যুৱক-যুৱতীসকলৰ মাজত বৃদ্ধি পোৱা কৰ্মহীনতাই তেওঁলোকৰ মাজত ভৱিষ্যৎ জীৱনৰ নিৰাপত্তাহীনতা আৰু তাৰ বাবে সৃষ্টি হোৱা হতাশাই নৈতিক বুনিয়াদ দুৰ্বল কৰি অ-সামাজিক কামৰ মাজেৰে অৰ্থ উপাৰ্জনৰ প্ৰতি আকৰ্ষিত হোৱা সম্ভাৱনাক নুই কৰিব নোৱাৰি।

৩। জীৱন আৰু জগতৰ প্ৰতি সৃষ্টি হোৱা নিৰাশাৰ মনোভাৱ পাৰিবাৰীক অশান্তিৰ কাৰণ হৈ পৰিব পাৰে।

৪। শিক্ষিত নিৱনুৱাৰ সংখ্যা বৃদ্ধিয়ে দেশ এখনক অৰ্থনৈতিকভাৱে দুৰ্বলা কৰি অৰ্থনৈতিক সংকটৰ সমস্যা উদ্ভৱ কৰাব পাৰে।

৫। শিক্ষিত নিৱনুৱাৰ দুখজনক ছবিয়ে নতুন প্ৰজন্মক শিক্ষা লাভৰ উচ্চাকাংক্ষাক নিৰুৎসাহিত কৰিব পাৰে।

৬। শিক্ষিত নিৱনুৱা সমস্যা বৃদ্ধিয়ে ৰাজনৈতিক, সামাজিক আৰু সমাজবিচ্যুত আচৰণৰ সৃষ্টি কৰি মানুহৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰি তুলিব পাৰে।

৭। শিক্ষিত নিৱনুৱাসকল হ'ল উৎপাদনহীন উপভোক্তা। গতিকে উৎপাদনহীন উপভোক্তাৰ সংখ্যা বৃদ্ধি হোৱা মানে দেশৰ বিকাশৰ গতি নিম্নগামী হোৱা।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

৮। দেশত নিৰনুৱা সমস্যা বৃদ্ধি হোৱা মানে দেশত দৰিদ্ৰতাৰ সমস্যাই অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰা। কাৰণ নিৰনুৱা আৰু দৰিদ্ৰতা সমস্যা পৰস্পৰ সম্পৰ্কযুক্ত।

৯। শিক্ষিত নিৰনুৱাৰ আন এক ভয়ংকৰ আৰু বাস্তৱ পৰিণতি হ'ল ৰাগিয়াল সামগ্ৰীৰ প্ৰতি আসক্তি বৃদ্ধি পোৱা।

১০। নিৰনুৱা বৃদ্ধিৰ ফলত মানুহে কাম-বন নকৰি ঘৰতে বহি থাকিবলগীয়া হৈছে। যাৰ ফলত মানুহে ভাল চিন্তা কৰাৰ ঠাইত বেয়া চিন্তাত মগ্ন হয়। ফলত কিছুমান অসামাজিক কাৰ্য সংঘটিত হয় কেতিয়াবা। কাৰণ মানুহে উপাৰ্জনক্ষম কৰ্ম অথবা শিক্ষাৰ লগত জড়িত হ'লেহে সদায় ভাল চিন্তা কৰিব পাৰে।

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

# নিবনুৱা সমস্যা দূৰীকৰণত শিক্ষাৰ ভূমিকা:

ভাৰতবৰ্ষ হৈছে প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ এখন বিপুল সম্ভাৱপূৰ্ণ দেশ। কিন্তু এই প্ৰাকৃতিক সম্পদসমূহ সঠিক ব্যৱহাৰ কৰি জাতীয় জীৱন চহকী কৰিব পৰা ধৰণৰ যেন দক্ষ মানৱ সম্পদ পৰ্যাপ্ত নহয়। আপাত দৃষ্টিত কৰ্ম-সংস্থাপনৰ অভাৱকে শিক্ষিত নিবনুৱা সমস্যাৰ একমাত্ৰ কাৰণ যেন লাগিলেও প্ৰকৃতাৰ্থত ই হৈছে মিশ্ৰিত কাৰণৰ সমাহাৰত তৈয়াৰ হোৱা এক স্পৰ্শকাতৰ সমস্যা।

আমাৰ দেশৰ শিক্ষা ব্যৱস্থা হৈছে যথেষ্ট ত্ৰুটিপূৰ্ণ আৰু সমস্যা-কেন্দ্ৰিক। যদি এই শিক্ষা ব্যৱস্থা অচিৰেই মৌলিক পৰিৱৰ্তনৰ মাজেৰে দক্ষতাকেন্দ্ৰিক কৰি তোলা নহয়, তেতিয়াহ'লে শিক্ষানুষ্ঠানসমূহ নিবনুৱা উৎপাদনৰ কাৰখানালৈ ৰূপান্তৰিত হ'ব।

এটি শিশুক মানৱ সম্পদলৈ ৰূপান্তৰিত কৰা আৰু দেশৰ উৎপাদন বৃদ্ধি কৰাত শিক্ষাৰ ভূমিকা অপৰিসীম। গতিকে নিবনুৱা দূৰীকৰণ শিক্ষাৰ ভূমিকাসম্পৰ্কে তলত বহলাই আলোচনা আগবঢ়োৱা হ'ল—

- জনসংখ্যাৰ অপ্ৰত্যাশিত বৃদ্ধিক প্ৰতিৰোধ কৰি নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে সৰ্বপ্ৰথমে শৈক্ষিক প্ৰতিষ্ঠানসমূহত জনসংখ্যা নিয়ন্ত্ৰণৰ শিক্ষা প্ৰদান কৰিব লাগে। আকৌ সমাজ-সম্প্ৰদায়ত আহি বিদ্যালয়ে সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে জনসংখ্যাৰ নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ ব্যাপক সম্প্ৰচাৰ কৰিব লাগে।

- উদ্যোগসমূহ হৈছে ভাৰতীয় অৰ্থনৈতিক বিকাশৰ প্ৰাণকেন্দ্ৰস্বৰূপ। কাৰণ উদ্যোগসমূহে কৰ্মসংস্থাপনৰ ব্যাপক সম্ভাৱনা বহন কৰে। সেয়েহে চৰকাৰে উদ্যোগ নিৰ্মাণৰ দিশত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগে।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

● চৰকাৰে শিক্ষিত নিবনুৱাৰ সমস্যা দূৰ কৰাৰ কাৰণে নিৰ্বাচনী সভাত দিয়া প্ৰতিশ্ৰুতিবোৰ ফলশ্ৰুতিলৈ ৰূপায়ন কৰাৰ বাবে দৃঢ় পদক্ষেপবোৰ গ্ৰহণ কৰিব লাগে। যাতে দেশৰ বহু সংখ্যক নিবনুৱাই আত্মসংস্থাপন লাভ কৰি অৰ্থনৈতিক স্বাৱলম্বী হ'ব পাৰে।

● কৰ্মৰ পৃথিৱীখনত মহিলাৰ প্ৰৱেশত সামাজিক বাধা আঁতৰ কৰাৰ লক্ষ্যৰে বাস্তৱসন্মত ব্যৱস্থাৰ প্ৰয়োজন। কিয়নো আমাৰ বৰ্তমানৰ পিতৃ-প্ৰধান সমাজ ব্যৱস্থাত মহিলাসকলক ঘৰুৱা কামতে নিয়োগ কৰি ৰখা হয়। কোনো উৎপাদনমূলক কাৰ্য অথবা শৈক্ষিক কৰ্মত বা চাকৰিত নিয়োগ হোৱাৰ মানসিকতা খুবেই কম। সেইবাবে গৃহিণী অৱস্থাতো মহিলাসকলে যাতে উৎপাদনমূলক কামত জড়িত হৈ থাকিব পাৰে চৰকাৰে তাৰেই ব্যৱস্থা কৰিব লাগে।

● শিক্ষা আৰু নিয়োগৰ মাজত থকা ব্যৱধান হ্ৰাস কৰাৰ বাবে বৃত্তিমূলক আৰু কাৰিকৰী প্ৰশিক্ষণৰ সুব্যৱস্থাৰ প্ৰয়োজন। যাতে প্ৰত্যেকজন শিক্ষাৰ্থীয়ে তেওঁলোকৰ ভিন্নধৰণৰ কৌশলবোৰৰ দক্ষতা বিকশাই বৃত্তিমূলক কৰ্মত নিয়োগ হ'ব পাৰে।

● শিক্ষিত যুৱচামৰ মাজত উদ্যোগিতাৰ (Enterpreneurship) বিকাশৰ বাবে চৰকাৰে আৰ্থিকভাৱে সহায়ৰ হাত আগবঢ়াব লাগে। কাৰণ উদ্যোগিতাৰ বিকাশে নিজক স্বাৱলম্বী কৰাৰ লগতে আনকো স্বাৱলম্বী হোৱাত সুবিধা কৰি দিব পাৰে।

● কৃষিখণ্ডত আধুনিকীকৰণৰ ব্যৱস্থা কৰি শিক্ষিত চামক আকৰ্ষিত কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ কৃষি হৈছে ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ। কৃষিখণ্ডত শিক্ষিত লোকৰ অংশগ্ৰহণে দেশৰ অৰ্থনৈতিক উন্নয়নত বিশেষভাৱে অৰিহণা যোগাব।

● মেক ইন ইণ্ডিয়া, স্কিল ইণ্ডিয়া, ষ্টাৰ্ট আপ আৰু ষ্টেণ্ড-আপ ইণ্ডিয়াৰ দৰে সময় সাপেক্ষ কাৰ্যসূচীসমূহ সঠিকভাৱে ৰূপায়ণ কৰা।

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

● চৰকাৰৰ শিক্ষা বিভাগে শিক্ষা ব্যৱস্থাটো গুণগত আৰু কৰ্মকেন্দ্ৰিক কৰি গঢ়ি তুলিব লাগে। কাৰণ বৰ্তমান সমস্ত মানৱ সম্পদৰ স্খলন হৈ আছে কিয়নো তেওঁলোক গুণগত শিক্ষাৰে শিক্ষিত নহয়। যি দেশৰ বাবে এক ভয়ানক প্ৰত্যাহ্বান। সেইবাবে শিক্ষা ব্যৱস্থাটো গুণগত আৰু কৰ্মকেন্দ্ৰিক কৰি গঢ়ি তুলিব লাগে যাতে দেশৰ প্ৰত্যেকজন শিক্ষাৰ্থীয়ে শিক্ষণীয় বিষয়বোৰ অন্তকৰণেৰে হৃদয়ংগম কৰি বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰে আৰু অৰ্থনৈতিক আত্ম-সংস্থাপনৰ যোগেদি নিজৰ জীৱনটোৱো গঢ় দি তুলিব পাৰে।

● প্ৰতিখন শৈক্ষিক অনুষ্ঠানতে বৃত্তীয় নিৰ্দেশনা আৰু পৰামৰ্শদানৰ কোষ (Vocational Guidance and Counselling Cell) থাকিব লাগে যিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ অভিক্ষমতাৰ ভিত্তিত উপযুক্ত জীৱিকাৰ সন্ধান দিব পাৰে।

● বৰ্তমানৰ পৰিৱৰ্তিত আধুনিকতাৰ যুগৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিগৰাকীয়ে শিক্ষিত যুৱক-যুৱতীয়ে নিজকে প্ৰযুক্তি-বিদ্যাৰ দিশত দক্ষ কৰি তুলিব লাগে। এনে দক্ষতা অৰ্জনে কৰ্মৰ বাবে এখন ডিজিটেল ৱৰ্ল্ড (Digital World of Work) তৈয়াৰ কৰাত সহায় কৰিব। কম মূলধন বিনিয়োগ কৰি স্ব-নিয়োজিত দিশত প্ৰযুক্তিবিদ্যাৰ দক্ষতাই এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে। গতিকে শৈক্ষিক প্ৰতিষ্ঠানসমূহত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ সম্প্ৰসাৰণ কৰিব লাগে।

● ঔদ্যোগিক কাৰ্যকলাপৰ বিকেন্দ্ৰীকৰণৰ প্ৰয়োজন যাতে প্ৰতিটো অঞ্চলৰ শিক্ষিত নিবনুৱা তথা সকলো প্ৰকাৰৰ নিবনুৱা যুৱক-যুৱতীয়ে যোগ্যতাৰ ভিত্তিত নিযুক্তি লাভ কৰিব পাৰে।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

- শিশু অথবা শিক্ষাৰ্থীৰ ভিন্ন সুপ্ত প্ৰতিভাৰ বিকাশৰ বাবে যথেষ্ট সংখ্যক চৰকাৰী-বেচৰকাৰী প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰিব লাগে। যাতে এই প্ৰশিক্ষণ কেন্দ্ৰবোৰত সুপ্ত প্ৰতিভাবোৰ উপযুক্ত প্ৰশিক্ষণৰ জৰিয়তে বিকশাই তোলাৰ সুন্দৰ পৰিৱেশ এটা শিক্ষাৰ্থীয়ে লাভ কৰিব পাৰে আৰু নিজৰ প্ৰতিভাবোৰত সফলতা পাই নিবনুৱা সমস্যা দূৰীকৰণ কৰিব পাৰে। অৰ্থনৈতিক স্বাৱলম্বী হৈ দেশৰ সেৱা আগবঢ়োৱা কৰ্মত নিয়োজিত হ'ব পাৰে।

- উপযুক্ত পৰিমাণে দেশৰ ৰাজ্য তথা একোটা জিলাত মুক্ত বিদ্যালয়, মুক্ত বিশ্ববিদ্যালয়ৰ, দূৰত্ব প্ৰতিষ্ঠা শিক্ষাৰ ব্যৱস্থা আদিৰ জৰিয়তে প্ৰাপ্তবয়স্ক, অৰ্ধশিক্ষিত সমস্যাটো দূৰ কৰিব পৰা যায়। অশিক্ষিত, অৰ্ধশিক্ষিত আদি সকলো প্ৰকাৰৰ নিৰনুৱাই মুক্ত, দূৰত্ব শিক্ষা লাভৰ জৰিয়তে কৰ্মসংস্থাপন পাই যাব বুলি বিশ্বাস জন্মে।
- শৈক্ষিক প্ৰতিষ্ঠান অথবা বিদ্যালয়ত বহুমুখী পাঠ্যক্ৰমৰ ব্যৱস্থাকৰণ কৰিব লাগে লগতে বৈজ্ঞানিক-সঁজুলিও পৰ্যাপ্ত যোগান ধৰিব লাগে।
- প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণ কৰিব লাগে।

- সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ নিচিনা সমস্যাবোৰ সমাধানৰ বাবে বিদ্যালয়ৰ শিক্ষক-ছাত্ৰই যুটীয়াভাৱে সম্প্ৰদায় এটাত সেই সংস্কাৰৰ প্ৰচেষ্টা হাতত লব লাগে। কাৰণ ই জনবিস্ফোৰণৰ সমস্যাৰো নিৰনুৱা সৃষ্টিত প্ৰভাৱ পেলায়।

- সৰ্বোশেষত শিক্ষিত নিৰনুৱা সমস্যা দূৰীকৰণৰ প্ৰধান গুৰুত্বপূৰ্ণ কাৰক হ'ল- শিক্ষাৰ্থী/ব্যক্তিৰ নেতিবাচক ব্যক্তিকেন্দ্ৰিক মনোভাৱৰ উন্নতকৰণ তথা বিকাশ কৰা। প্ৰত্যেকজন ব্যক্তি নিজে নিজেই কৰ্মৰ প্ৰতি আগ্ৰহী হ'ব লাগিব আৰু ভিন্ন কৰ্ম দক্ষতা অৰ্জনৰ চেষ্টা কৰিব লাগিব কিয়নো- চৰকাৰে ব্যৱস্থা কৰি দিছে এতিয়া ব্যক্তিৰ মন যদি আগ্ৰহী নহয় তেন্তে নিৰনুৱা হৈয়ে থাকিব লাগিব। গতিকে প্ৰত্যেকজন ব্যক্তিয়ে কৰ্ম কৌশলী, কৰ্ম সংস্কৃতিৰ জ্ঞান, পাৰদৰ্শী হ'বলৈ যত্ন কৰিব লাগে।

Head
Department of Education
Chhamaria Anchalik College
Date.........

Principal
Chhamaria Anchalik College

## শিংৰাবড়ী পালপাৰা গাওঁৰ শিক্ষাগত অৰ্হতা :

এই শিংৰাবড়ী পালপাৰা গাঁৱৰ শিক্ষাগত অৰ্হতা বুলি ক'লে বিশেষ শিক্ষিত ব্যক্তিৰ সংখ্যা তাকৰ। যদিও উচ্চ শিক্ষিত স্নাতক ডিগ্ৰীধাৰী দুই-তিনিজন আছে তাকো ল'ৰাকেইজন company ত আৰু ছোৱালীসকল বিবাহ-পাশত আবদ্ধ। অৰ্থাৎ কোনো ব্যক্তিগত ব্যৱসায় বা চাকৰিয়াল নহয়। অৰ্থাৎ শিক্ষাৰ দিশত গুৰুত্ব এই গাৱঁৰ জনসাধাৰণৰ নাই, কেৱল নিজৰ বৃত্তিটোতহে গুৰুত্ব। কিন্তু আজি-কালিৰ অভিভাৱকে সন্তানক পঢ়োৱাৰ ক্ষেত্ৰত কিছু গুৰুত্ব আৰোপ কৰিছে. কিন্তু গুণগত নহয়, কেৱল বৃত্তিগতহে (ল'ৰাৰ ক্ষেত্ৰত) আৰু বিবাহকেন্দ্ৰিক (ছোৱালীৰ ক্ষেত্ৰত)। কিন্তু তাৰে মাজতে হঠাৎ এজন বা দুজনে নিজৰ একাগ্ৰতা আৰু সাধনাৰ বলত উচ্চ শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহী আৰু উচ্চ বৃত্তিৰ প্ৰতি মনোগ্ৰাহী। এয়াই হ'ল গাওঁখনৰ শিক্ষাগত অৰ্হতা- কেৱল অধিকাংশ ব্যক্তি প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত পঢ়া।

**কৃষি :** বছৰৰ এটা সময়ত, পুহ মাহত বড়োৰ সৈতে বিভিন্ন গাওঁখনত ধান খেতি কৰা হয়। কৃষি বুলি ক'লে গাওঁখনৰ ৬-৭ ঘৰ মানুহ কৃষিকাৰ্যৰ লগত জড়িত। কিয়নো শিংৰাবড়ী পালপাৰা গাৱঁৰ অধিকাংশ পালসম্প্ৰদায়ৰ মানুহ। এওঁলোকৰ প্ৰধান জীৱন নিৰ্বাহৰ বৃত্তি হৈছে- মাটিৰ-বাচন-বৰ্তন তৈয়াৰ কৰা। আৰো অধিক জনসংখ্যাৰ সীমিত মাটিৰ বাবেও কৃষিকাৰ্য, খেতি-বাতি কৰাৰ পৰিসৰ সীমিত। এই গাওঁখনৰ সন্মুখৰ বিলখনত বহুত ধানখেতি কৰা হয়, বড়ো ধানেই বেছি। কিন্তু এই গাঁৱৰ মানুহৰ বিশেষ মাটি নাই ইয়াতে কাৰোবা অইন গাৱঁৰ মানুহৰ খেতি বেছি সন্মুখৰ বিলখন সেউজীয়া ধাননিৰে ভৰি থাকে মাঘ মাহৰ পৰা বহাগ মাহ লৈকে।

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

## শিল্প কলা :

শিংৰাবড়ী পালপাৰা গাওঁখনৰ সকলো/প্ৰায়ভাগ মানুহ কুমাৰ। এওঁলোকৰ জীৱিকাৰ প্ৰধান উৎস হ'ল- মাটিৰ বিভিন্ন বাচন-বৰ্তন যেনে- কলহ, টাব, মুড়ি ভজা পাত্ৰ, চাৰি, ঘটি, চৰু, ধূল, ঢাকনি, টেকেলি, চাকি, বিভিন্ন খেলাৰ সামগ্ৰী-বাচন, পুতলা, পাত্ৰ আদি তৈয়াৰ কৰি বিক্ৰী কৰা। মৃৎ শিল্প কলাৰ গৰাকী হ'ল কুমাৰসকল। এওঁলোকে নিজৰ পদ্ধতিগত কৌশলেৰে মাটিৰে বিভিন্ন মনোমোহা পাত্ৰ তৈয়াৰ কৰে।

গাঁৱৰ কিছুসংখ্যক কলাকাৰে ভগৱানৰ মূৰ্তি তৈয়াৰ কৰে। বছৰৰ বিভিন্ন ঋতু বা সময়ত হবলগীয়া পূজা যেনে- দূৰ্গা পূজা, লক্ষ্মী, সৰস্বতী পূজা, মহানামযজ্ঞ, কালি, শিৱ পূজা, শনি পূজা আদি সকলো পূজাৰ মূৰ্তি আমাৰ কাৰিকৰসকলে অশেষ কষ্টেৰে তৈয়াৰ কৰি দিয়ে।

আকৌ কিছুসংখ্যকে কেৱল- চাকি, ছিলিম আৰু জালৰ গুলিৰ নিচিনা বস্তু বনাই অৰ্থ উপাৰ্জন কৰে।

আকৌ কিছুসংখ্যকে ধুনীয়া ধুনীয়া পাত্ৰ, টেকেলি বনাই ৰং কৰি বিক্ৰী কৰে। গাঁৱৰ বাসিন্দাসকলৰ এয়াই হ'ল প্ৰধান শিল্প।

**নিয়োগ :** শিংৰাবড়ী পালপাৰা গাঁৱৰ শিক্ষিতৰ হাৰ কম হোৱা হেতুকে নিয়োগৰ ক্ষেত্ৰতো বেছি সংখ্যক লোকে পিছপৰা। একেবাৰে নিম্নতম দুই- এজনে চৰকাৰী কামত নিয়োজিত হোৱা গাওঁখনত চৰকাৰী আঁচনিৰ একেবাৰে প্ৰভাৱ পৰা নাই বুলি কলেও ভুল নহয়। গাওঁখনৰ মানুহ অৰ্ধশিক্ষিত, অন্যান্য পিছপৰা শ্ৰেণী হোৱা বাবে চৰকাৰৰ ফালৰ পৰা অনুসূচীত জাতিৰ নিচিনা সুবিধা পোৱা নাযায়।

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

# ষষ্ঠ অধ্যায়

তথ্যৰ বিশ্লেষণ আৰু ব্যাখ্যা : (Analysis and Interpretation of data): উক্ত গৱেষণা কাৰ্যটোৰ বাবে নিৰ্ধাৰিত বিষয়টো আছিল ‘নিৰক্ষৰা সমস্যা দূৰীকৰণত শিক্ষাৰ ভূমিকা’ এই বিষয়ৰ ওপৰত অধ্যয়ন চলোৱাৰ লগতে জৰীপ কাৰ্য্যও সম্পন্ন হ'ল। জৰীপৰ পৰা দেখা গ'ল যে–

⇒ গাওঁখনত/ চুবুৰীটোত পুৰুষৰ সংখ্যা 50% আৰু মহিলাৰ সংখ্যা 50% আছে।

⇒ গাওঁখনত নিৰক্ষৰা (একেবাৰে কাম-বন নকৰা মানুহ) নায়েই। কিন্তু তেওঁলোকৰ বৃত্তিগত জীৱিকাৰ লগতে কিয়া-নহয় কিবা আৰ্থিক কাম কৰে। জৰীপৰ পৰা দেখা গ'ল যে চুবুৰীটোত ২২ জন নিৰক্ষৰা বাকী সকলো বন্ধুৱা বা শ্ৰমিক/ কিছুমান আকৌ নিৰক্ষৰাৰ প্ৰকাৰত।

⇒ কিন্তু দেখা গ'ল যে– পৰিয়ালত আৰ্থিক আয় যোগান ধৰা (অন্তৰ্গত) অথবা সংসাৰ চলোৱাৰ ক্ষেত্ৰত যিখিনি মূলধন অৰ্জন কৰিব লাগে সেনেকুৱা দক্ষ মানুহৰ অভাৱ পৰিলক্ষিত হয়।

⇒ অধিকাংশ ডেকা যুৱকে ঘৰত বহি থাকিবলগীয়া হয় আৰু নতুবা ঋতুজ বা ছদ্মবেশী নিৰক্ষৰা হৈ কৰ্ম কৰে।

⇒ গাওঁখনত মহিলা শিক্ষাৰ অভাৱ পৰিলক্ষিত হৈছে যদিও ঘৰুৱা জীৱিকাৰ জৰিয়তে এওঁলোক আত্মনিৰ্ভৰশীল।

⇒ কৃষি কৰা মানুহৰ সংখ্যা অধিক।

⇒ বৰ্তমান জীৱিকাৰ বাবে যিবোৰ মাটিৰে তৈয়াৰী বাচন-বৰ্তন বনাব লাগে। এইখিনিও বিলুপ্ত হৈ আছে– নতুন নতুন প্লাষ্টিকৰ তৈয়াৰ বাচন-বৰ্তন হোৱা বাবে গ্ৰাহকে মাটিৰে তৈয়াৰী বাচন নিকিনা হৈছে।

⇒ ঘৰৰ আৰ্থিক অৱস্থাৰ ক্ষেত্ৰত কিছুমানৰ উন্নত আকৌ কিছু সংখ্যকৰ অনুন্নত।

⇒ এই গাওঁখনৰ ৰাস্তাৰ অৱস্থা খুব বেয়া বা অনুন্নত। চৰকাৰৰ গুৰুত্ব নিদিয়া হৈছে। বহুদিন ধৰি এই গাঁৱৰ মানুহে এই ভেগা বাটেৰেই অহা-যোৱা কৰি আছে।

Head
Department of Education
Chhamaria Anchalik College
Date.....................

Principal
Chhamaria Anchalik College

## তালিকা নং – ১

⇒ জৰীপৰ পৰা পোৱা তথ্যসমূহ তলৰ তালিকাৰ জড়িয়তে দেখুওৱা হ'ল –

| স্বচ্ছল নিৰনুৱা | ছদ্মবেশী নিৰনুৱা | শিক্ষিত নিৰনুৱা | চক্ৰীয় নিবনুৱা | বনুৱা |
|---|---|---|---|---|
| 1. স্বপন মণ্ডল | 1. ৰাজকুমাৰ পাল<br>2. ননিগোপাল পাল<br>3. তাপস পাল<br>4. নিৰঞ্জন পাল<br>5. ৰাজু পাল<br>6. শ্যামসুন্দৰ পাল। | 1. বিকাশ পাল<br>2. স্বপন পাল | 1. অমৰেন্দ্ৰ পাল<br>2. বিপুল পাল<br>3. চিত্তৰঞ্জন পাল | 1. প্ৰাণেশ পাল<br>2. কমল পাল<br>3. গোপাল পাল<br>4. প্ৰফুল্ল পাল<br>5. অনুকূল পাল<br>6. মিঠুন পাল<br>7. ব্ৰজ দাস<br>8. দিলীপ পাল |
| $\Rightarrow \frac{1}{20} \times 100$<br>= 5% | $\Rightarrow \frac{6}{20} \times 100$<br>= 30<br>∴ 30% | $\Rightarrow \frac{2}{20} \times 100$<br>= 10<br>∴ 10% | $\Rightarrow \frac{3}{20} \times 100$<br>= 15% | $\Rightarrow \frac{8}{20} \times 100$<br>= 40<br>∴ 40% |

১ নং তালিকাৰ পৰা পোৱা তথ্যসমূহ 30 নং পৃষ্ঠাৰ নিম্নলিখিত দণ্ডচিত্ৰৰ জড়িয়তে দেখুওৱা হ'ল।

Principal
Chhamaria Anchalik College

Head
Department of Education
Chhamaria Anchalik College
Date..................

## সামৰণি : (Conclusion)

আমাৰ ভাৰতবৰ্ষ দেশ হৈছে প্ৰাকৃতিক সম্পদেৰে চহকী। এনে প্ৰাকৃতিক সম্পদসমূহৰ যথাযোগ্য ব্যৱহাৰ কৰি নতুনত্বৰ সৃষ্টি আৰু উৎপাদন বৃদ্ধি কৰি এখন অৰ্থনৈতিক, শৈক্ষিক আদি সকলো ক্ষেত্ৰত উন্নয়নশীল ৰাষ্ট্ৰলৈ ৰূপান্তৰিতকৰণৰ বাবে প্ৰয়োজন হয় দক্ষ মানৱ সম্পদৰ। এনে দক্ষ মানৱ সম্পদ গঢ়ি উঠে যথোপযুক্ত শিক্ষা আৰু অৰ্থৰ প্ৰভাৱত। সেইকাৰণে শিক্ষা ব্যৱস্থাটোৰ উন্নত কৰিব লাগে। তাৰ আগতে দেশত যিখিনি নিৰনুৱা সৃষ্টি হৈছে সেইসকলক চৰকাৰৰ ফালৰ পৰা আৰ্থিক সাহায্য প্ৰদান, নিয়োগৰ ব্যৱস্থা আৰু বিভিন্ন সা-সুবিধা প্ৰদান কৰি লগতে শিক্ষাৰ মানদণ্ড গুণগত আৰু প্ৰায়োগিক বিধিৰ কৰি গঢ়ি তুলিব লাগে।

মোৰ এই গৱেষণাৰ বাবে যিখন চুবুৰী জৰীপ কৰিলো তাৰ পৰা লেখত লবলগীয়া দিশবোৰ তলত উল্লেখ কৰা হল –

* শিংৰাবড়ী পালপাৰা চুবুৰীটোৰ মানুহবোৰৰ যি সাম্প্ৰদায়িক শিল্প কলা সেয়া চৰকাৰে সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। কাৰণ দিনে দিনে মানুহ যিমানেই আধুনিক হৈ আছে সিমানেই নিজ কৰ্ম-সংস্কৃতিক পাহৰি আছে। সেইকাৰণে উপযুক্ত প্ৰশিক্ষণৰ জড়িয়তে বিকশাই তুলি বিশ্বৰ বজাৰত প্ৰদৰ্শন কৰাব লাগে।

* পোন প্ৰথমে শিক্ষা ব্যৱস্থাক উন্নত কৰিব লাগে। যাতে সকলোৱে উচ্চ শিক্ষা লাভৰ প্ৰতি আগ্ৰহী হয় আৰু নিয়োগ ব্যৱস্থাৰ প্ৰসাৰ ঘটাব লাগে।

* কৰ্মৰ মাজেৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

* কৃষিৰ আধুনিকীকৰণ আৰু পৰ্যাপ্ত শিল্প উদ্যোগ গঢ়ি তুলিব লাগে।

Head
Department of Education
Chhamaria Anchalik College
Date.........

Principal
Chhamaria Anchalik College

চিত্র নং — ৬ (সরল দণ্ড চিত্র)




বিপর্যয়ের প্রকারসমূহ

Principal
Chhamaria Anchalik College
Head
Department of Education
Chhamaria Anchalik College
Date.........

# প্ৰশ্নাৱলী :— (Questionnaires.)

১। আপোনাৰ নাম কি?

২। বয়স কিমান?

৩। শিক্ষাগত অৰ্হতা কিমান?

৪। কি বৃত্তিৰ লগত জড়িত হৈ আছে?

৫। কিবা নিচাজাতীয় দ্ৰব্য সেৱন কৰেনে?

৬। ঘৰৰ সদস্যৰ সংখ্যা কিমান?

৭। খেতি-বাতি কৰে নে?

৮। অপোনালোকৰ জীৱিকা বা পেচা কি?

৯। চৰকাৰী সা-সুবিধা পাইছেনে?

১০। ঘৰৰ মহিলা সকলে কি বৃত্তিৰ লগত জড়িত?

১১। শিক্ষাৰ ক্ষেত্ৰত আপোনালোকৰ ল'ৰা ছোৱালীয়ে কোন শ্ৰেণীত পঢ়ি আছে? কেনেকুৱা?

১২। ঘৰত কোনোবা চাকৰিয়াল আছেনে?

১৩। ঘৰুৱা ব্যৱসায়টো কিমানখিনি উন্নত?

১৪। পঢ়া বাদ দিয়াৰ কাৰণ কি?

১৫। ঘৰৰ অইন অইন সদস্যৰ কৰ্মৰ লগত সম্পৰ্ক কেনেকুৱা?

Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

# REFERENCE BOOK

Kalita, Dr. Utpal : Emerging Issues in Education
it all
Shanti Prakashan
Guwahati – 1
May – 2021

Goswami, Huda Barua : *Indian Economy*
Dibrugar – 1
1990

তথ্যদাতা (Data Informer)

| নাম | বৃত্তি | বয়স |
| --- | --- | --- |
| নবীগোপাল পাল — | ব্যৱসায় — | 45 |
| প্ৰদীপ পাল — | মৃৎশিল্পী – | 35 |
| অজয় পাল — | মৃৎশিল্পী – | 35 |
| গোপাল পাল — | মৃৎশিল্পী – | 58 |
| শান্তি পাল — | মৃৎশিল্পী – | 65 |

Head
Department of Education
Chhamaria Anchalik College
Date.........................

Principal
Chhamaria Anchalik College







Head
Department of Education
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College